**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ৭ টা শিতানত ১৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৭ টি শিশুক তেওঁলোকৰ অসাধাৰণ সাফল্যৰ বাবে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ প্ৰদান কৰে।

২। ২০০৪ চনৰ বিধবংসী চুনামীত প্ৰাণ হেৰুওৱা সহস্ৰাধিক লোকৰ স্মৃতিত আজি তামিলনাডুৰ পুডুচেৰীত শ্ৰদ্ধাঞ্জলি তৰ্পন অনুষ্ঠিত হৈছে।

৩। বিশিষ্ট অসমীয়া সাহিত্যিক য়েছে দৰজে ঠংছিলৈ এই বছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

৪। কালি দেহাৱসান ঘটা মালায়ালয়ম ভাষাৰ প্ৰখ্যাত লেখক আৰু ছবি নিৰ্মাতা এম টি বাসুদেৱন নায়াৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি কেৰালাৰ কোজিকড়ৰ মাভু ৰোড শ্মশানত সম্পন্ন কৰা হ'ব।

আৰু

৫। মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ৭ টা শিতানত ১৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৭ টি শিশুক তেওঁলোকৰ অসাধাৰণ সাফল্যৰ বাবে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ প্ৰদান কৰে। কলা-সংস্কৃতি, সাহসিকতা, উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, সমাজ সেৱা, ক্ৰীড়া আৰু পৰিবেশ ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে শিশুসকলক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে এটা পদক, এখন প্ৰমাণ পত্ৰ আৰু প্ৰশস্তিপত্ৰ আছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শিখ ধৰ্মগুৰু গোবিন্দ সিঙৰ পুত্ৰদ্বয়ৰ সাহসিকতা আৰু বলিদানৰ প্ৰতি শ্ৰদ্ধা জনায়। বঁটা লাভ কৰা শিশুসকলক শুভেচ্ছা জনাই ৰাষ্ট্ৰপতিয়ে তেওঁলোকৰ কাৰ্য অসাধাৰণ আৰু অতুলনীয় বুলি উল্লেখ কৰে। তেওঁ কয়, যে শিশুসকলৰ প্ৰত্যেকেই এটা বিশেষ গুণৰ অধিকাৰী আৰু তেওঁলোকৰ সাফল্যই নাগৰিকসকলক অনুপ্ৰাণিত কৰিব। ৰাষ্ট্ৰপতিয়ে সকলো মাধ্যমৰ জৰিয়তে শিশুসকলৰ এই সাফল্যৰ বাতৰি সকলোৰে মাজত প্ৰচাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত বীৰ শিশু দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শিশুসকলক দেশৰ ভৱিষ্যতৰ ভেটি হিচাপে সন্মান জনোৱাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেওঁ লগতে এটা সমাবেশতো ভাষণ দিব। শ্ৰী মোদীয়ে শিখ ধৰ্মগুৰু গোবিন্দ সিঙৰ

পুত্ৰদ্বয়ৰ সাহসিকতাৰ সোঁৱৰণত ২৬ ডিচেম্বৰৰ দিনটো বীৰ শিশু দিৱস হিচাপে পালন কৰাৰ কথা ঘোষণা কৰিছিল। এইবাৰৰ এই দিৱসত বিকশিত ভাৰত নিৰ্মাণত যুৱ প্ৰজন্মৰ অৱদানত গুৰুত্ব আৰোপ কৰা হৈছে।

অসমতো আজি বীৰ শিশু দিৱস উপলক্ষে বিভিন্ন বিদ্যালয়, শিশু যতন কেন্দ্ৰ আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মাই গভ আৰু মাই ভাৰত পোৰ্টেলৰ জৰিয়তে অনলাইন কুইজ, গল্প কথন, সৃষ্টিশীল ৰচনা, পোষ্টাৰ আদিৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে নিৰ্বাচিত শিশুসকলো উপস্থিত থাকিব।

০০০০০০

২০০৪ চনৰ আজিৰ দিনটোতে দক্ষিণ ভাৰতৰ উপকূলত সৃষ্টি হোৱা চুনামীয়ে ২০ বছৰ অতিক্ৰম কৰিলে। ইণ্ডোনেছিয়াৰ সুমাত্ৰাৰ সমীপত ৯.১ ৰিখটাৰ স্কেল প্ৰাবল্যৰ ভুমিকম্পৰ ফলত সাগৰত সৃষ্টি হোৱা চুনামীৰ প্ৰভাৱত ভাৰতৰ তামিলনাডু আৰু পুডুচেৰীত এহেজাৰৰো অধিক লোকৰ মৃত্যু হৈছিল। উল্লেখযোগ্য যে ভূমিকম্পৰ ফলত সমুদ্ৰত সৃষ্টি হোৱা এই চুনামী ইতিহাসৰ অন্যতম প্ৰাকৃতিক দুৰ্যোগ হিচাপে পৰিগণিত হৈছিল আৰু ভাৰত মহাসাগৰীয় অঞ্চলত কেইবাহাজাৰো লোকে প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ লগতে সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছিল।

০০০০০০

বিশিষ্ট অসমীয়া সাহিত্যিক য়েছে দৰজে ঠংছিলৈ এই বছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। 'ধাৰ আৰু অন্যান্য গল্প' পুথিৰ বাবে ঠংছিয়ে এই বঁটা লাভ কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই এই কথা ঘোষণা কৰে। এই বঁটাত আছে - এখন প্ৰশস্তি পত্ৰ, স্মাৰক আৰু নগদ ৫ লাখ টকা। ইয়াৰ উপৰি গ্ৰন্থখনৰ প্ৰকাশক বনলতাই এই বঁটাৰ বাবদ নগদ ৩ লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব। অহা ৩১ ডিচেম্বৰত অসম গ্ৰন্থমেলাস্থলীত শ্ৰী ঠংছিক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈ বিয়লি প্ৰায় ৩ বজাত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে সন্মানীয় সভাপতিৰূপে অংশগ্ৰহণ কৰিব। সভাখনত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, লেখক হিন্দল সেন গুপ্ত, বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, ভাৰতীয় প্ৰকাশক আৰু পুথি বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। এইবাৰ গ্ৰন্থমেলাত কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, সচিদানন্দ যোশী, গ্ৰন্থমেলাত বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। ৭ জানুৱাৰীলৈ চলিবলগীয়া এইবাৰৰ গ্ৰন্থমেলাত মুঠ ১১৮ টা পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানে ভাগ ল'ব। ইয়াৰ ভিতৰত দিল্লী-হাৰিয়ানাৰ ১৬ টা, কলকাতাৰ ১৫ টা আৰু পাঞ্জাৱৰ দুটা প্ৰকাশন গোষ্ঠী আছে।

০০০০০০

উত্তৰ-পূব সীমান্তৰ ৰে'লৰেই সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা মুঠ ৯৫০টা পৰীয়াবিহীন লেভেল ক্ৰ'চিং চিনাক্ত কৰিছে আৰু এইসমূহ স্থায়ীভাৱে বন্ধ কৰাৰ ব্যৱস্থা কৰিছে। এই পৰীয়াবিহীন লেভেল ক্ৰছিংসমূহৰ ভিতৰত ইতিমধ্যে ৮০৯টাত বেৰ দিয়াৰ কাম সম্পূৰ্ণ হৈছে। মালিগাঁৱৰ ৰে'লৰে সূত্ৰই জনোৱা অনুসৰি তিনিচুকীয়া ৰে'ল সংমণ্ডলৰ ২৩৫টা, লামডিং  সংমণ্ডলৰ ২২১টা, ৰঙিয়া সংমণ্ডলৰ ৮৮টা, আলিপুৰ দুৱাৰ সংমণ্ডলৰ ১৭১টা আৰু কাটিহাৰ সংমণ্ডলৰ ৯৪টা স্থানত স্থায়ী বেৰ দিয়াৰ কাম সম্পূৰ্ণ হৈছে। উল্লেখযোগ্য যে নিয়ম নামানি ৰে'লপথ অতিক্ৰম কৰাটো দণ্ডনীয় অপৰাধ যদিও সাধাৰণ নাগৰিকে বিষয়টো আওকান কৰাৰ ফলত সঘনাই এনে স্থানসমূহত দুৰ্ঘটনা আৰু প্ৰাণহানিৰ ঘটনা সংঘটিত হৈ আহিছে। সেয়েহে ৰে'ল সুৰক্ষা বাহিনীয়ে শিক্ষানুষ্ঠান, পঞ্চায়ত আদিত নাগৰিকৰ মাজত সজাগতা বৃদ্ধিৰ কাৰ্যসূচী লোৱাৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৰেই অনাগত দিনত পৰীয়াবিহীন লেভেল ক্ৰ'চিং সম্পূৰ্ণৰূপে বন্ধ কৰাৰ ব্যৱস্থা কৰিছে।

০০০০০০

কালি দেহাৰসান ঘটা মালায়ালয়ম ভাষাৰ প্ৰখ্যাত লেখক আৰু ছবি নিৰ্মাতা এম টি বাসুদেৱন নায়াৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি কেৰালাৰ কোজিকড়ৰ মাভু ৰোড শ্মশানত সম্পন্ন কৰা হ'ব। আজি কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ন, বিশিষ্ট অভিনেতা মোহনলাল, চলচ্চিত্ৰ নিৰ্মাতা হৰিহৰণ আৰু লেখক এম এন কাৰাছেৰী আদি ভালেসংখ্যক ব্যক্তি আৰু সংগঠনে তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে।

জ্ঞানপীঠ, সাহিত্য একাডেমী, পদ্মভূষণ আদি বিভিন্ন উপাধিৰে সন্মানিত এম টি বাসুদেৱন নায়াৰৰ উল্লেখযোগ্য সাহিত্য কীৰ্তিৰ ভিতৰত আছে নল্লুকেল্লু কল্লাম মঞ্জু, অ'চুৰা বিছু, ৰন্দামুৰাম ইত্যাদি। তেওঁৰ উল্লেখযোগ্য ছবিসমূহৰ ভিতৰত আছে - অৰু ৱেডাক্কান বীৰাগাথা, নিৰ্মাল্যম, সদয়ম, কেৰালা বাৰ্মা পাজাশ্ৰীৰাজা, মঞ্জু, কদভু, অনুবন্ধম, তৃষ্ণা, মিধ্যা ইত্যাদি। ১৯৮৯, ১৯৯১, ১৯৯২ আৰু ১৯৯৪ চনত তেওঁ শ্ৰেষ্ঠ চিত্ৰনাট্যৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। এম টি বাসুদেৱন নায়াৰৰ মৃত্যুত ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰিছে। এটা শোকবাণীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এম টি বাসুদেৱন নায়াৰৰ বিয়োগত বিশ্ব সাহিত্যই এগৰাকী বিৰল প্ৰতিভাক হেৰুৱালে বুলি মন্তব্য কৰে।   উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ভাৰতবৰ্ষৰ সাহিত্য আৰু ছবি জগতৰ স্বৰ্ণিম ইতিহাসত এম টি বাসুদেৱন নায়াৰ ভোটা তৰাৰ দৰে জিলিকি থাকিব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ শোকবাণীত নায়াৰক মালায়লম সাহিত্য আৰু ছবি জগতৰ অন্যতম পুৰোধা ব্যক্তি বুলি অভিহিত কৰে আৰু তেওঁৰ সৃষ্টিৰাজিয়ে নতুন প্ৰজন্মক সদায়ে অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে।

০০০০০০০০০

বিপ্লৱী ছহিদ উধম সিঙৰ আজি ১২৫ সংখ্যক জয়ন্তী। ১৮৯৯ চনৰ আজিৰ দিনটোতে অবিভক্ত ভাৰতবৰ্ষৰ পঞ্জাৱ প্ৰদেশৰ সুনাম গাঁৱত জন্মগ্ৰহণ কৰা এই বিপ্লৱীগৰাকীয়ে সেইসময়ৰ পঞ্জাৱৰ লেফটেনেন্ট গৱৰ্ণৰ মাইকেল অ'ডৱায়াৰক লণ্ডনত হত্যা কৰি জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ প্ৰতিশোধ লৈছিল। উল্লেখযোগ্য যে ইংৰাজৰ জিম্মাত থকা সময়ত তেওঁ ভাৰতৰ প্ৰধান তিনিটা ধৰ্মৰ প্ৰতিনিধিত্ব কৰি "ৰাম মহম্মদ সিং আজাদ" নামটো ব্যৱহাৰ কৰিছিল। এই উপলক্ষে আজি দেশৰ বিভিন্ন স্থানত ছহিদ উধম সিঙৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি তৰ্পন কৰা হয়।

০০০০০০০০০

মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে। আজি অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু লাবুচেঙৰ ৭২, চেম কনষ্টাছৰ  ৬০, ওচমান খোৱাজাৰ ৫৭ আৰু ষ্টিভেন স্মিথৰ অপৰাজিত ৬৮ ৰানৰ সহায়ত ৩০০ ৰান অতিক্ৰম কৰে। অধিনায়ক পেট কামিন্‌ছে ৮ ৰান কৰি ষ্টিভেন স্মিথৰ সৈতে বেট ধৰি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা আৰু আকাশদীপ, ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে এটাকৈ উইকেট দখল কৰিছে।

oooooooo

সমাপ্ত